৫ নং প্ৰশ্নৰ উত্তৰ ঃ জনসংখ্যা বৃদ্ধি সন্দৰ্ভত জনসংখ্যা শিক্ষাৰ উদ্দেশ্য সমূহ হ'ল—

(i) সৰু পৰিয়ালৰ আৰ্হি গ্ৰহণ কৰিবলৈ জনসাধাৰণক শিক্ষিত কৰা

(ii) পৰিয়ালৰ আকাৰ যে নিয়ন্ত্ৰণাধীন তাক জনসাধাৰণক জ্ঞাত কৰা

(iii) সৰু পৰিয়ালৰ আৰ্হি গ্ৰহণ কৰিবলৈ জনসাধাৰণক শিক্ষিত কৰা

(iv) জনসংখ্যা শিক্ষাই জনসাধাৰণক পৰিয়াল পৰিকল্পনাৰ সুবিধাৰ লগতে দুটা সন্তানৰ জন্মৰ মধ্যৱৰ্ত্তী সময়ৰ ব্যৱধান আৰু সীমিত সংখ্যক সন্তানৰ বাবে হোৱা শাৰীৰিক আৰু অৰ্থনৈতিক লাভালাভৰ বিষয়ে অৱগত হোৱাত সহায় কৰিব।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ এখন ৰাষ্ট্ৰৰ জনসংখ্যা বৃদ্ধিৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা ভূমিকা সমূহ হ'ল—

(i) দেশৰ ছাত্ৰ-ছাত্ৰী বা শিক্ষাৰ্থী সকলৰ বাবে জনসংখ্যা শিক্ষাৰ এক ফলদায়ক কাৰ্য্যসূচী আৰম্ভ কৰা যিয়ে তেওঁলোকৰ অত্যাধিক জনসংখ্যা বৃদ্ধিৰ কু-প্ৰভাৱৰ বিষয়ে শিক্ষা দিয়ে আৰু বিভিন্ন জন্ম নিয়ন্ত্ৰণৰ পদ্ধতি অৱলম্বনৰ বাবে ৰাইজক উদ্‌গণি জনায়।

(ii) সৰু পৰিয়ালৰ আৰ্হি গ্ৰহণ কৰিবৰ বাবে জনসাধাৰণক আগ্ৰহী কৰি তোলা আৰু তাৰ বাবে উদ্‌গনিমূলক পুৰস্কাৰৰ ব্যৱস্থা কৰা।

(iii) জন্ম নিয়ন্ত্ৰণৰ বাবে আইন প্ৰণয়ন কৰা আৰু তাৰ কাৰ্য্যকাৰিতাৰ বাবে সঠিক পদক্ষেপ গ্ৰহণ কৰা।



৪.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্ম্মী প্ৰশ্ন (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ জীৱনৰ গুণগত মান বুলিলে কি বুজে?

প্ৰশ্ন ২ঃ জনসংখ্যা বৃদ্ধিৰ ব্যাখ্যা আপুনি কেনেধৰণে আগবঢ়াবলৈ ভাল পাব?

প্ৰশ্ন ৩ঃ মানুহৰ দৈহিক প্ৰয়োজনীয়তাৰ বিষয়ে উল্লেখ কৰক।

প্ৰশ্ন ৪ঃ জনমুৰি আয় বুলিলে কি বুজে?

(খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ চমুটোকা লিখক-

(ক) জনসংখ্যা আৰু জীৱনৰ গুণগত মান

(খ) জনসংখ্যা আৰু পৰিবেশীয় সমস্যা

(গ) জনসংখ্যা বৃদ্ধি নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চৰকাৰৰ কৰ্ত্তব্য আৰু দায়িত্ব